# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-01-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজৰ মহাকুম্ভত দ্বিতীয় অমৃত স্নানৰ সময়ত হোৱা হেঁচাঠেলাত পদপিষ্ট হৈ ভালেকেইজন ভক্তৰ মৃত্যু হোৱাৰ লগতে কেইবাজনো আহত হৈছে।

২। গণৰাজ্য দিৱসৰ সামৰণি সমাৰোহ বিটিং ৰিট্ৰীট আজি নতুন দিল্লীৰ বিজয় চ'কত অনুষ্ঠিত হ'ব।

৩। ৱাক্ফ সংশোধনী বিধেয়ক, ২০২৪ চালি-জাৰি চোৱাৰ বাবে গঠন কৰা যুটীয়া সংসদীয় কমিটীয়ে আজি ইয়াৰ খচৰা প্ৰতিবেদনত অনুমোদন জনায়।

৪। ৫ ফেব্ৰুৱাৰীত হ'বলগীয়া ৭০ জনীয়া দিল্লী বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ ক্ৰমাৎ তীব্ৰতৰ হৈ উঠিছে।

আৰু

৫। নৰ্থ-ইষ্ট ইউনাইটেড ফুটবল ক্লাব আজি গুৱাহাটীত হ'বলগীয়া আই এছ্ এল ফুটবল প্ৰতিযোগিতাৰ এখন খেলত হায়দৰাবাদ ফুটবল ক্লাবৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooooo

উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত মৌনি অমাৱশ্যা উপলক্ষে মহাকুম্ভত দ্বিতীয় অমৃত স্নানৰ বাবে যোৱানিশা ভক্তৰ হেঁচাঠেলাত পদপৃষ্ট হৈ ভালেকেইজন ভক্তৰ মৃত্যু হোৱাৰ লগতে কেইবাজনো আহত হয়। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথে প্ৰকাশ কৰা মতে ভক্তসকলে যোৱানিশা অমৃত স্নানৰ বাবে আখাৰামাৰ্গৰ বেৰা পাৰ হৈ যোৱাৰ সময়ত হোৱা হেঁচাঠেলাত বহুসংখ্যক ভক্ত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহে এই ঘটনা অতি দুখজনক বুলি প্ৰকাশ কৰিছে। ৰাষ্ট্ৰপতিয়ে এটা বাৰ্তাত এই সময়ছোৱাত প্ৰাণ হেৰুওৱা ভক্তসকলৰ পৰিয়াললৈ গভীৰ সমবেদনা জনাইছে। তেওঁ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰে। প্ৰধানমন্ত্ৰীয়েও মৃত্যু হোৱা ভক্তসকলৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। তেওঁ কয়, যে স্থানীয় প্ৰশাসনে ভুক্তভোগীসকলক সহায়ৰ বাবে পাৰ্যমানে চেষ্টা অব্যাহত ৰাখিছে। তেওঁ লগতে মুখ্যমন্ত্ৰী যোগী আদিত্য নাথৰ সৈতে পৰিস্থিতি সন্দৰ্ভত সঘনে আলোচনা কৰি আছে। গৃহমন্ত্ৰী অমিত শ্বাহে কয়, যে প্ৰশাসনে আহত লোকসকলক চিকিৎসাৰ ব্যৱস্থা কৰিছে।

প্ৰয়াগৰাজৰ মহাকুম্ভত মৌনি অমাৱশ্যা উপলক্ষে বৰ্তমানলৈকে ৪ কোটিৰো অধিক লোকে সংগমত পৱিত্ৰ স্নান কৰিছে। এতিয়াও লাখ লাখ ভক্ত পৱিত্ৰ স্নানৰ বাবে আহি আছে বুলি প্ৰয়াগৰাজৰ আকাশবাণীৰ সংবাদদাতাই জানিবলৈ দিছে। পৱিত্ৰ স্নানৰ পাছত ভক্তসকলে ঘাটসমূহত যথাৰীতি পূজা-অৰ্চনা কৰিছে। বিশ্বৰ সৰ্ববৃহৎ ধৰ্মীয় সমাৱেশ হিচাপে স্বীকৃতিপ্ৰাপ্ত মহাকুম্ভ মেলা ১৩ জানুৱাৰীত আৰম্ভ হৈছে আৰু প্ৰথম অমৃত স্নান ১৪ জানুৱাৰীৰ মকৰ সংক্ৰান্তিৰ দিনা সম্পন্ন হয়। মহাকুম্ভৰ কাৰ্যসূচীসমূহ সুচাৰুৰূপে পৰিচালনাৰ বাবে উত্তৰ প্ৰদেশ চৰকাৰে অৰ্ধ সামৰিক বাহিনীকে ধৰি ৫০ হাজাৰৰো অধিক আৰক্ষী নিয়োগ কৰিছে। এইবাৰ প্ৰথমবাৰৰ বাবে সংগমত পানীৰ তলৰ কাৰ্য নিৰীক্ষণৰ বাবে ড্ৰোণ ব্যৱহাৰ কৰা হৈছে। উত্তৰ প্ৰদেশ আৰক্ষীয়ে কোনোধৰণৰ উৰা বাতৰিৰ বলি নহ'বলৈ ভক্তসকলৰ প্ৰতি আহ্বান জনাইছে।

oooo

গণৰাজ্য দিৱসৰ সামৰণি সমাৰোহ বিটিং ৰিট্ৰীট আজি নতুন দিল্লীৰ বিজয় চ'কত অনুষ্ঠিত হ'ব। প্ৰতিৰক্ষা মন্ত্ৰালয়ে এটা বিবৃতিযোগে কৈছে যে এইবেলি স্থলসেনা, নৌসেনা, বায়ুসেনা আৰু কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীসমূহৰ বেণ্ডৰ সংগীতৰ তালে তালে ৩০ গৰাকী শিল্পীয়ে দৰ্শকক মন্ত্ৰমুগ্ধ কৰিব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু অন্য কেন্দ্ৰীয় মন্ত্ৰীসকলে এই অনুষ্ঠানত ভাগ ল'ব।

০০০০০

ৱাক্‌ফ সংশোধনী বিধেয়ক, ২০২৪ চালি-জাৰি চোৱাৰ বাবে গঠন কৰা যুটীয়া সংসদীয় কমিটীয়ে আজি ইয়াৰ খচৰা প্ৰতিবেদনত অনুমোদন জনায়। নতুন দিল্লীৰ আকাশবাণীৰ সৈতে হোৱা কথা-বতৰাত এই ৩১ জনীয়া কমিটীখনৰ অধ্যক্ষ জগদম্বিকা পালে কয়, যে কমিটীখনে বিধেয়কখনৰ ১৪ নম্বৰ দফা সম্পৰ্কীয় সংশোধন গ্ৰহণ কৰিছে। তেওঁ কয়, যে এই প্ৰতিবেদন কাইলৈ লোকসভাৰ অধ্যক্ষ ওম বিৰলাৰ ওচৰত দাখিল কৰা হ'ব। বিগত ছমাহত বিধেয়কখন সন্দৰ্ভত বিশদভাৱে আলোচনা হোৱা বুলি শ্ৰী পালে প্ৰকাশ কৰে। ইপিনে, কমিটীখনত অন্তৰ্ভুক্ত বিৰোধী পক্ষৰ সাংসদসকলে প্ৰতিবেদনখন গ্ৰহণক লৈ প্ৰশ্ন উত্থাপন কৰিছে। ডি এম কেৰ সাংসদ এ ৰাজাই কৈছে, যে প্ৰতিবেদনখন খৰখেদাকৈ গ্ৰহণ কৰা হৈছে। একেদৰে কংগ্ৰেছৰ নাছিৰ হুছেইনে তেওঁলোকে আগবঢ়োৱা ভালেমান পৰামৰ্শ প্ৰতিবেদনখনত অন্তৰ্ভুক্ত কৰা হোৱা নাই বুলি মন্তব্য কৰিছে। তৃণমূল কংগ্ৰেছৰ সাংসদ কল্যাণ বেনাৰ্জী, শিৱসেনাৰ উদ্ধৱ থাকৰে গোটৰ সাংসদ অৰবিন্দ ছাৱন্ত আৰু বিৰোধী পক্ষৰ অন্য সাংসদসকলে বিধেয়কখনৰ বিৰোধিতা কৰি তেওঁলোকে মতভেদৰ টোকা দাখিল কৰা বুলি প্ৰকাশ কৰিছে।

০০০০০০০০০

উচ্চতম ন্যায়ালয়ে আজি আৰ জি কৰ গোচৰৰ শুনানি নিজাববীয়াকৈ গ্ৰহণ কৰিব। কলকাতাৰ আৰ জি কৰ চিকিৎসালয়ৰ এগৰাকী প্ৰশিক্ষাৰ্থী চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাৰ ঘটনাৰ পাছত চিকিৎসা কৰ্মীসকলৰ সুৰক্ষাৰ সৈতে জড়িত এই গোচৰটো আৰম্ভ কৰা হৈছিল। ২২ জানুৱাৰীত মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্না আৰু ন্যায়াধীশ সঞ্জয় কুমাৰ আৰু কে ভি বিশ্বনাথনক লৈ গঠিত এখন বিচাৰপীঠে সময়ৰ নাটনি আৰু তিনিখন নতুন আবেদন দাখিল কৰাৰ দোহাই দি গোচৰটোৰ শুনানি আজিলৈকে স্থগিত ৰাখিছিল।

০০০০০০০০০

৫ ফেব্ৰুৱাৰীত হ'বলগীয়া ৭০ জনীয়া দিল্লী বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ ক্ৰমাৎ তীব্ৰতৰ হৈ উঠিছে। প্ৰায় আটাইবোৰ প্ৰধান ৰাজনৈতিক দলৰ নেতাসকলে ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে উঠি-পৰি লাগিছে। বিজেপি, আম আদমী পাৰ্টী আৰু কংগ্ৰেছৰ আগশাৰীৰ নেতাসকলে দলীয় প্ৰাৰ্থীৰ হকে জনসাধাৰণৰ সমৰ্থন আদায়ৰ বাবে জনসভা আৰু ৰোড শ্ব'ত অংশগ্ৰহণ কৰাৰ লগতে ভোটদাতাসকলৰ ঘৰে ঘৰে প্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি শ্বাহদ্‌ৰা বিধানসভা সমষ্টিৰ অধীনৰ কৰ্টাৰ নগৰত এখন নিৰ্বাচনী সভাত ভাষণ দিব। অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই উত্তম নগৰ আৰু কৰ'লবাগত কেইবাখনো নিৰ্বাচনী সভাত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব। উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামীয়েও নজফগঢ়, বদৰপুৰ, কালকাজি আৰু গ্ৰেটাৰ কৈলাসত বিজেপিৰ হৈ নিৰ্বাচনী সভাত ভাগ ল'ব। একেদৰে কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে মটিয়ালা তথা বিকাশপুৰীত আৰু  কেন্দ্ৰীয় মন্ত্ৰী মনোহৰ লাল খট্টাৰে মোতিনগৰ, আৰ কে পুৰম আৰু মেহৰ'লিত দলৰ হৈ প্ৰচাৰ চলাব। ইপিনে, আম আদমী পাৰ্টীৰ ৰাষ্ট্ৰীয় আহ্বায়ক তথা দিল্লীৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী অৰবিন্দ কেজৰিৱালে আজি বিয়লি বাদ্‌লি আৰু টিমাৰপুৰত দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী সভাত ভাগ ল'ব। পাঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱন্ত মানে ৰাজৌৰী গাৰ্ডেন, তিলক নগৰ আৰু বিকাশপুৰীত আম আদমি পাৰ্টীৰ সমৰ্থনত প্ৰচাৰ চলাব। কংগ্ৰেছৰ জ্যেষ্ঠ নেতা জয়ৰাম ৰমেশ আৰু দেৱেন্দ্ৰ যাদৱে আজি দলৰ নিৰ্বাচনী ইস্তাহাৰ প্ৰকাশ কৰাৰ কথা। দলৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধীয়ে বাৱানাত এখন নিৰ্বাচনী সভাত অংশ ল'ব।

০০০০০০০০০

নৰ্থ-ইষ্ট ইউনাইটেড ফুটবল ক্লাব আজি সন্ধিয়া গুৱাহাটীৰ ইন্দিৰা গান্ধী এথলেটিক ষ্টেডিয়ামত হ'বলগীয়া আই এছ এল ফুটবল প্ৰতিযোগিতাৰ এখন খেলত হায়দৰাবাদ ফুটবল ক্লাবৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। নৰ্থ-ইষ্ট ইউনাইটেড এফ চি বৰ্তমানলৈকে ৬ পইণ্টেৰে প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ ষষ্ঠ স্থানত আছে। দলটোৱে ছখন খেলত জয়লাভ কৰিছে আৰু ৭ খন খেল ড্ৰ' খেলিছে। হায়দৰাবাদ এফ চি পইণ্ট তালিকাৰ শেষৰ পৰা দ্বিতীয় স্থানত আছে। ইপিনে, জামছেদপুৰ ফুটবল ক্লাবে কালি নতুন দিল্লীত জৱাহৰলাল নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত পাঞ্জাৱ ফুটবল ক্লাবক ২-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। জামছেদপুৰে খেলখনৰ ৪১ মিনিটত প্ৰতীক চৌধুৰীৰ হেডেৰে প্ৰথমটো গ'ল দিয়ে আৰু পাছত জাৰি হাৰ্নাণ্ডেজে খেলখনৰ দ্বিতীয়াৰ্ধত দলৰ হৈ দ্বিতীয়টো গ'ল দিয়ে। পাঞ্জাৱৰ হৈ এজিকুইয়েল ৱিডাই একমাত্ৰ গ'লটো দিয়ে।

000000000

ভাৰতীয় ক্রিকেট দলৰ প্ৰাক্তন অধিনায়ক তথা তাৰকা বেট্‌ছমেন বিৰাট কোহলিয়ে দিল্লীৰ ঘৰুৱা ক্রিকেটলৈ প্ৰত্যাৱৰ্তন কৰাৰ বাবে সাজু হৈছে। কাইলৈ দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত ৰঞ্জী ট্ৰফীৰ এখন খেলত কোহলিয়ে দিল্লী দলৰ অধিনায়ক আয়ুস বাদুনীৰ অধীনত ৰে'লৱেৰ বিৰুদ্ধে খেলিব। বি চি চি আয়ে শেহতীয়াকৈ সকলো খেলুৱৈয়ে ঘৰুৱা ক্রিকেট খেলাটো বাধ্যতামূলক কৰিছে। দিল্লী আৰু জিলা ক্রিকেট সন্থাই ঘোষণা কৰা অনুসৰি দর্শকৰ বাবে আন ৰঞ্জী খেলসমূহৰ দৰে এইখন খেলো উপভোগৰ বাবে বিনামূলীয়া প্ৰৱেশৰ সুবিধা আছে।

000000000

আন্তঃৰাষ্ট্ৰীয় ক্রিকেট পৰিষদ আই চি চি য়ে সংস্থাটোৰ মুখ্য কার্যবাহী পদৰ পৰা জ'ফ এলার্ডাইছে অব্যাহতি লোৱাৰ সিদ্ধান্তৰ কথা নিশ্চিত কৰিছে। অহা মাহত আৰম্ভ হ'বলগীয়া চেম্পিয়নছ ট্ৰফী ২০২৫ আয়োজন কৰিবলৈ পাকিস্তান সাজু হোৱাক লৈ উদ্বেগ সৃষ্টি হোৱাৰ সময়তে এলার্ডাইছৰ এই সিদ্ধান্ত গুৰুত্বপূর্ণ বিবেচিত হৈছে। বিদায়ী বার্তাত শ্রী এলার্ডাইছে কয় যে ক্রিকেটৰ বিশ্বব্যাপী প্ৰসাৰ বৃদ্ধি কৰাৰ পৰা আৰম্ভ কৰি আইচিচিৰ সদস্যসকলৰ বিত্তীয় ভেটি শক্তিশালী কৰাৰ বাবে তেওঁ অতিশয় গৌৰৱান্বিত। আইচিচিৰ অধ্যক্ষ জয় শ্বাহে এলার্ডাইছক তেওঁৰ অৱদানৰ বাবে ধন্যবাদ জনাই কয় যে তেওঁৰ এই প্ৰচেষ্টাই বিশ্বজুৰি ক্রিকেটক আগবঢ়াই নিয়াত গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছে। আইচিচি ব'ৰ্ডে শীঘ্ৰে নতুন মুখ্য কার্যবাহী চিনাক্তকৰণৰ বাবে পদক্ষেপ গ্ৰহণ কৰিব। উল্লেখ্যোগ্য যে কেইবাটাও সংবাদ মাধ্যমে চেম্পিয়ন ট্ৰফী আয়োজনৰ বাবে পাকিস্তানৰ কেইবাখনো ষ্টেডিয়ামৰ নবীকৰণৰ কাম লেহেমীয়া হৈ থকা বুলি অভিযোগ তোলাৰ লগতে প্ৰতিযোগিতাখনৰ সময়সূচীও পলমকৈ প্ৰকাশ কৰা হৈছে বুলি উল্লেখ কৰিছে।

0000000

সমাপ্ত